বৈষ্ণৱ সিৰিজ—১

শ্ৰীশ্ৰীশঙ্কৰ দেৱ।

552
DISTRICT LIBRARY
(HEM BARUA COLLECTION)
TEZPUR

লিখক ও প্ৰকাশক—

শ্ৰীহৰকান্ত দাস

এম, এ; বি, এল।

প্ৰথম সংস্কৰণ

GOVERNMENT OF ASSAM
Call No..............
DISTRICT LIBRARY.

তেজপুৰ

৪৮০ শঙ্কৰাব্দ।

মূল্য আঠ অনা।

কলিকাতা

২নং বেথুন রো "ভারতমিহির" যন্ত্রে

শ্রীভূষণচন্দ্র দাস দ্বারা মুদ্রিত।

নিবেদন।

জগত্-গুৰু শ্ৰীশ্ৰীশঙ্কৰ দেৱৰ বহল জীৱনী লিখিবলৈ লিখকৰ সাধ্য নাই। কিন্তু প্ৰতিভাশালী লোকৰ ওচৰত থাকিলে অলপ নহয় অলপ পৰিমাণে ফল পোৱা যায়। ৰায় বাহাদুৰ শ্ৰীযুত আনন্দচন্দ্ৰ আগৰৱালা দেৱৰ উৎসাহিত শ্ৰীশ্ৰীশঙ্কৰদেৱৰ সম্বন্ধে এখনি ৰচনা লিখিছিলোঁ। সেই ৰচনাখনি ১৯৩১ খৃষ্টাব্দৰ ২৭ ভাদত জগত্-গুৰুৰ তিথি উপলক্ষে তেজপুৰ অ, ভা, উ, সা সভাত পঢ়া হৈছিল। সাহিত্যিক পেন্সনাৰ ইন্সপেক্টৰ শ্ৰীযুত পদ্মনাথ গোহাঞি বৰুৱা দেৱে আৰু শ্ৰীযুত আগৰৱালা দেৱে ৰচনাখনি সম্বন্ধে বৰ উচ্চ মত প্ৰকাশ কৰিছিল। ৰচনাখনি যোৱা বছৰৰ আৱাহনত প্ৰকাশ হোৱাৰ পৰা লিখকে নানা ঠাইৰ নানা লোকৰ পৰা ভালেমান প্ৰশংসনি পত্ৰ পাই আহিছোঁ। সকলোৰে অনুৰোধত সেই ৰচনাখনিকে আৰু অলপ কথাৰ দ্বাৰা চমু আলোচনাৰ অঙ্গ পূৰ কৰি ৰাইজৰ আগত পুস্তিকাকাৰে উলিওৱা হ'ল। অনুৰোধ—সকলোৱে এবাৰ পঢ়ি চাওক আৰু মহাপুৰুষৰ আদৰ্শত অনুপ্ৰাণিত হওক। লগতে লিখকৰ দোষাদোষলৈ আওকাণ কৰিব। ইতি—

তেজপুৰ
২৭, ৭, ৩২

নিবেদক
শ্ৰীহৰকান্ত দাস।

PLEASE HANDLE THE BOOK CAREFULLY

শ্ৰীশ্ৰীশঙ্কৰ দেৱ।

জয় গুৰু শঙ্কৰ সৰ্ব্ব গুণাকৰ
যাকেৰি নাহি উপাম।
তোহাৰি চৰণক ৰেণু শত কোটী
বাৰেক কৰোঁহো প্ৰণাম॥

বিজন অৱতাৰ পুৰুষৰ অপাৰ গুণত আপোন পাহৰাহে]
মাধৱদেৱৰ নিচিনা অগাধ পণ্ডিত গুৰুভক্তিপৰায়ণ মহাপুৰুষে

শ্ৰীমন্ত শঙ্কৰ হৰি ভকতৰ
জানা যেন কল্পতৰু।
তাহান্ত বিনায় নাহি নাহি নাহি
আমাৰ পৰম গুৰু॥

DISTRICT LIBRARY
(HEM BARUA COLLECTION)
TEZPUR.

—ইয়াকে মানি সংসাৰ সুখত জলাঞ্জলি দি ধৰ্ম্মৰ নামত চিৰকুমাৰ-ব্ৰত অৱলম্বন কৰিছিল আৰু

জগজন তাৰণ দেৱ-নাৰায়ণ

শঙ্কৰ তাকেৰি অংশ ॥

—এই দৃঢ়বিশ্বাস সাৰোগত কৰি থাক ঈশ্বৰ কৃষ্ণৰ অৱতাৰ বুলি লোক সমাজত প্ৰচাৰ কৰি গৈছে, যিজন অৱতাৰ পুৰুষ অসমীয়া সাহিত্য, সমাজ, ৰীতি-নীতি, গীত-নাট আদিৰ আদিগুৰু আৰু শুদ্ধ সৎ উদাৰ মহাপুৰুষীয়া বৈষ্ণৱ-ধৰ্ম্ম প্ৰবৰ্ত্তক, যাৰ সুকীৰ্ত্তিৰাশি গোটেই অসমভূমি শৰতৰ পূৰ্ণচন্দ্ৰৰ দৰে জিলিকি আছে আৰু যাবচ্চন্দ্ৰদিবাকৰ থাকিব, যিজনৰ বৃহৎ জীৱনী অসমৰ পৰ্ব্বতে-কন্দৰে, গিৰি-গুহায়, হাবিয়ে-বননিয়ে, গাঁৱে ভূঁয়ে সকলোতে অবিচ্ছিন্নভাৱে বিয়পি আছে, সেইজন ঈশ্বৰ পুৰুষৰ জীৱনী বিশদভাৱে আলোচনা কৰিবলৈ যোৱাটো বিড়ম্বনা মাথোন। কবিৰ ভাষাত

তোমাৰ জীৱনী দেৱ ! লিখে এনে সাধ্য কাৰ—
গোটেই অসম ভূমি বিস্তৃত জীৱনী যাৰ।

এনেজন মহাপুৰুষৰ নাম লণেই হতাশ প্ৰাণত আশাৰ সঞ্চাৰ

হয়, পাপীতাপীৰ হিয়া শাঁত পৰে, ভাগৰুৱাৰ ভাগৰ পলায়, সন্তাপীয়ে সান্ত্বনা লভে; তেনেস্থলত তেনেজন মহাত্মাৰ জীৱনৰ নিচেই চমু আলোচনায়ো যে পাঠক-পাঠিকা ও শ্ৰোতাৰ মন, প্ৰাণ আৰু শৰীৰত সঞ্জীৱনী শক্তিৰ স্পন্দন তুলিব তাত অকণো সন্দেহ নাই; আৰু বিশেষকৈ এই অভাজন লিখকে মহাপুৰুষৰ গুণাৱলীৰ যৎকিঞ্চিৎ সভক্তিৰে কীৰ্ত্তন কৰি নিজকে নিজে ধন্য মানিব। হে সুধীবৃন্দ! গুণৰনিধি শ্ৰীমন্ত শঙ্কৰৰ চমু গুণ কীৰ্ত্তনত কিবা দোষাদোষ হ'লে নিজগুণে মাৰ্জ্জনা কৰিব।

শ্ৰীমন্ত শঙ্কৰ অসমৰ বিখ্যাত বাৰভূঞাসকলৰ ভিতৰত শিৰোমণি ভূঞা চণ্ডীবৰৰ নাতিৰ নাতি আছিল। প্ৰবাদ আছে যে বাৰভূঞা সকল কমতাৰ ৰজা দুৰ্ল্লভ নাৰায়ণৰ ৰাজত্ব কালত অসমলৈ আহে আৰু বিশেষ প্ৰতিপত্তিৰে প্ৰভুত্ব চলাই বসতি কৰিবলৈ ধৰে। চণ্ডীবৰ তেওঁলোকৰ ভিতৰত শ্ৰেষ্ঠ। তেওঁ বৰ ধৰ্ম্মপৰায়ণ, জ্ঞানী, পৰাক্ৰমী আৰু বিচক্ষণ বুদ্ধিৰ পণ্ডিত আছিল। তেওঁক তৰ্কত পৰাস্ত কৰিব পৰা পণ্ডিত তেতিয়াৰ দিনত কোনো ওলোৱা নাছিল। নিজৰ বিদ্যাবুদ্ধি আৰু অমায়িকতাৰ বলত চণ্ডীবৰ ৰজাৰ বৰ প্ৰিয়পাত্ৰ হৈ উঠিছিল

আৰু বজাৰ পৰা দেৱানৰ কাৰ্য্য চলোৱাৰ ভাৰো পাইছিল। বাৰভূঞা সকল আদিৰে পৰা শক্তিৰ উপাসক আছিল। দেৱীৰ প্ৰতিমা প্ৰতিষ্ঠা কৰি পূজাৰ ছলেৰে দেৱীৰ উদ্দেশে হাঁহ পাৰ ম'হ ছাগল আদি বলি দিবলৈও অলপো কুণ্ঠিত নহৈছিল।—অৱশ্যে তেওঁলোকৰ এই আসুৰিক প্ৰথা চিৰদিনলৈ নিগাজী হব নোপাওঁতেই কুলশ্ৰেষ্ঠ অৱতাৰ পুৰুষৰ হাতত নিৰ্ম্মূল হব-লগীয়াত পৰিছিল আৰু হৈছিল। ভূঞাশ্ৰেষ্ঠ চণ্ডীবৰৰ সকলো সদ্গুণৰ কলি শ্ৰীমন্ত শঙ্কৰৰ গাত ষোলকলাই প্ৰস্ফুটিত হৈছিল। কিন্তু জীৱহিংসাৰ দ্বাৰা কৰা পূজাৰ বিধানে শঙ্কৰৰ অন্তৰত অলপো ঠাই লব নোৱাৰিলে। কেৱল পুৰুষৰে পৰা চলি অহা দেৱীপূজা বিশেষকৈ বলিবিধান শ্ৰীশঙ্কৰৰ হাতত অকল ভূঞাসকলৰ মাজৰ পৰাই নহয় প্ৰায় গোটেই অসমদেশৰ পৰাই লোপ পালে।

শ্ৰীশঙ্কৰৰ জন্ম হয় ১৪৪৯ খৃষ্টাব্দৰ আহিন মাহৰ আঁঠসী তিথিত। তেওঁৰ ভূমিষ্ঠ হোৱাৰ তিনি দিনৰ দিনা মাক সত্যসন্ধাই প্ৰসূতা ৰোগত প্ৰাণ এৰে। তেতিয়াৰে পৰা শঙ্কৰ বুঢ়ীমাক খেৰসূতীৰ যত্নত আৰু লালনপালনত ডাঙৰ দীঘল হয়

লগাত পৰে। শ্ৰীশঙ্কৰৰ পিতৃদেৱ কুসুম্বৰ ভূঞাৰ অৱস্থা ধনেধানে, মানে-সম্ভ্ৰমে বৰ জকমকীয়া আছিল; কিন্তু তেওঁৰ ল'ৰাসন্তান নথকাত সেই সকলো তেওঁৰ মনত অসাৰ যেন লাগিছিল। কুসুম্বৰে পুত্ৰ লাভাৰ্থে দেৱাদিদেৱ শঙ্কৰক নানানভাৱে পূজিছিল, উপযুক্ত পাত্ৰত অনেক দানপুণ্য কৰিছিল, কঠোৰ ব্ৰত উপবাস পালিছিল আৰু অতি কাতৰভাৱে সভক্তিৰে শিৱৰ ওচৰত পুত্ৰধনৰূপ ভিক্ষা মাগিছিল। শেষত শঙ্কৰৰ বৰদান ও অনুগ্ৰহৰ ফলত কুসুম্বৰে ঈশ্বৰ সদৃশ পুত্ৰ লাভ কৰে আৰু সেই দেখিয়েই পুত্ৰৰ নাম শঙ্কৰ ৰাখে।

শঙ্কৰে জন্মৰে পৰা ১২ বছৰ বয়সলৈকে সাধাৰণ মানুহৰ শক্তিৰ গোচৰ অতীত লীলাখেলা কৰি উমলি জামলি সময় কটাইছিল; দিনেৰাতি খেলৰ বাহিৰে অইন কোনো কামত মন নিদিছিল। ল'ৰাকালত শঙ্কৰৰ মনপ্ৰাণ চৰাইৰ দৰে মুকলি আছিল। লৰমৰাত আৰু খেল খেলাত তেওঁ ইমান পাৰ্গত আছিল যে লগৰ লগৰীয়াই তেওঁক কোনো দিনে কেতিয়াও চেৰ পেলাব নোৱাৰিছিল। হাবিলৈ গৈ পাছে পাছে খেদি বটা চৰাই ধৰি আনিছিল; লৰিগৈ বনৰ হৰিণা ধৰি খেলালি কৰিছিল;

ভাদমহীয়া ভৰপূৰ ব্ৰহ্মপুত্ৰ সাঁতুৰি সিপাৰ ইপাৰ হৈছিল ; পানীত ডুব মাৰি মাছশিহ আদি ধৰি আনিছিল। এনেদৰে মুকলি মনেৰে মুকলি ঠাইত আনন্দেৰে খেল খেলাৰ গুণত শঙ্কৰে ল'ৰাকালত সুন্দৰ স্বাস্থ্য গঢ়ি তুলিছিল আৰু এই স্বাস্থ্যৰ ভেটি এনে ওখ ও শকতভাৱে সাজিছিল যে তাৰ গুণত শঙ্কৰে ১২০ বছৰ বয়সলৈকে অতিৰিক্তভাৱে মানসিক আৰু শাৰীৰিক পৰিশ্ৰম কৰিবলৈও অলপো ভাগৰ বা ক্লান্তি বোধ নকৰিছিল। এদিন দুদিনকৈ যেতিয়া শঙ্কৰৰ বয়স ১২ বছৰ হ'লহি তেতিয়া এদিন তেওঁৰ বুঢ়ীমাক খেৰসূতীয়ে তেওঁক ক'লে, "বোপা! তোমাৰ উপৰিপুৰুষ সকলৰ ভিতৰত আটায়ে সুচতুৰ বিজ্ঞ পণ্ডিত আছিল ; তেওঁলোকৰ বংশধৰ হৈ তুমিয়েই মূৰ্খলোকত বংশৰ মৰ্য্যাদা লোপ কৰিবা নে? এতিয়া আৰু তোমাৰ উমলিবৰ সময় নহয়। লিখাপঢ়া শিকি জ্ঞান আৰ্জিবৰ এয়েই উপযুক্ত সময়"। বুঢ়ীমাকৰ কথাত শঙ্কৰে লাজ পালে আৰু পঢ়িবলৈ মান্তি হ'ল। শুভদিনৰ শুভক্ষণত শঙ্কৰে মহেন্দ্ৰ কন্দলীৰ ওচৰত বিদ্যা আৰম্ভ কৰে ; পিছে ল'ৰাৰ ল'ৰালি শঙ্কৰৰ গাত লেখা নিদিয়াকৈ থকা নাছিল। এদিন শঙ্কৰে

স্কুলৰ পৰা পলাই উমলিবলৈ গৈছিল। কন্দলীয়ে তেওঁক সেই কথাত ধৰিলে। তাৰ পিছদিনা শঙ্কৰে বুঢ়ীমাকৰ পেডেৰিৰ পৰা চুৰ কৰি আনি বৰ কাপোৰ এখন কন্দলীক ভেটি দি ক'লে, "দেউ! বুঢ়ী আইক নকব যে ময় স্কুলৰ পৰা পলাই গৈছিলোঁ।" কন্দলীয়ে শঙ্কৰৰ দোষ গোপন নকৰিলে; ততালিকে গৈ খেৰসূতীৰ আগত দুয়োটা দোষকে ক'লে। খেৰসূতীয়ে শঙ্কৰক দাবি-ধমকি নিদি গাধুৰ পিহি পিহি বৰ বুজনি দিলে। তেতিয়াৰে পৰা শঙ্কৰে স্কুলৰ পৰা পলাবলৈও এৰিলে চুৰি কৰিবলৈও এৰি দিলে।

শঙ্কৰৰ বুদ্ধি বৰ চোকা আছিল। অলপ দিনৰ ভিতৰতে তেওঁৰ বুদ্ধিৰ তীক্ষ্ণতা ফুটি ওলাইছিল। তেওঁ অ-ফলা আৰু ক-ফলা পঢ়ি শেষ কৰিয়েই ঈশ্বৰ বৰ্ণনা কৰি আকাৰ-ইকাৰ আদি একো নোহোৱাকৈ এটি সুন্দৰ পদ্য ৰচনা কৰিছিল আৰু সুললিত সুৰে ৰাগিণী টানি গাইছিল—

কৰতল কমল কমলদল নয়ন।
ভৱদৱদহন গহনবন শয়ন॥

নপৰ নপৰপৰ সতৰত গময়।
সভয়মভয় মম হৰ সততয়॥
খৰতৰবৰ শৰহত দশবদন।
খগচৰ নগধৰ ফণধৰ শয়ন॥
জগদঘমপহৰ ভৱভয়তৰণ।
পৰপদলয়কৰ কমলজ নয়ন॥

বুঢ়ীমাকৰ মুখত ভগৱানৰ মহিমাৰ কথা শুনি বালক শঙ্কৰে পদকন্দে বান্ধি হৃদয়া সুৰত তুলিলে। ইয়াতেই শঙ্কৰৰ অলৌকিকতা প্ৰকাশৰ সূত্ৰপাত হয়। এদিন একাদশী তিথিত ফুল ছুটাৰ পিছত আন ল'ৰাবিলাক ওলাই গোটাত শঙ্কৰে ফুলতে শুই পৰিছিল। ভৰটোপনিত লাগকাল হৈ পৰি থকাত শঙ্কৰৰ মুখত ৰ'দ লাগিছিল। তাকে দেখি এটা কেঁটা সাপে ফণা মেলি শঙ্কৰৰ বাল্যৌ মুখক ছাঁ-কৰি ধৰিছিল। কিছু সময়ৰ পিছত কন্দলী সেইপিনে আহি অদ্ভুত ঘটনা দেখি ৰামকৃষ্ণ সুঁৱৰিলে। তেওঁৰ মনত পৰিল যমুনাৰ বুকুত কৃষ্ণ-বসুদেৱৰ —"ফণায়ে ধৰিলা ছত্ৰ আসি সৰ্পৰাজে।" কন্দলীৰ মাতবোল হেৰাল; শৰীৰ ৰোমাঞ্চিত হ'ল; শিৰে শিৰে তেজৰ স্পন্দন

উঠিল; শঙ্কৰক ছাত্ৰহিচাপে পাই মনপ্ৰাণত অপাৰ আনন্দ লভিলে। শঙ্কৰৰ প্ৰতি কন্দলীৰ ঈশ্বৰজ্ঞান হ'ল; তেওঁৰ দৃঢ়বিশ্বাস হ'ল যে শঙ্কৰ সাধাৰণ মানুহ নহয়—দেৱঅংশজাত—ঈশ্বৰ কৃষ্ণৰ অৱতাৰ স্বৰূপ। "নোহে ই মনুষ্য—কৃষ্ণৰ স্বৰূপ"—বুলি দশোদিশে ঘোষণা কৰিলে আৰু সিদিনাৰে পৰা শঙ্কৰৰ নামৰ শেষত "দেৱ" শব্দ যোগ দিবলৈ সকলোকে বুজাই ক'লে। কিন্তু তেতিয়াৰ দিনত অসমত বামুণৰ প্ৰতিপত্তি বৰ বেছি আছিল। শূদ্ৰৰ ল'ৰা এটাক দেৱ উপাধিৰে বিভূষিত কৰাত কিছুমান শাস্ত্ৰসদাচাৰ নজনা বামুণ নামধাৰী প্ৰাণীৰ অন্তৰত হিংসানল জ্বলি উঠিল। সিবিলাকে মহেন্দ্ৰ কন্দলীক সেইবাবে ববকৈ জুলুম কৰিব লাগি গ'ল; কিন্তু মূঢ়লোকৰ মিছা কুলাভিমানৰ হিংসানলৰ তাপত শঙ্কৰৰ দেৱত্ব সম্বন্ধে কন্দলীৰ দৃঢ়বিশ্বাস দৃঢ়তৰ হৈ উঠিল; তেওঁ কোনোমতে সঙ্কীৰ্ণমনা বামুণ কেইজনৰ কথাত নিজৰ বিশ্বাস এৰি দিবলৈ ৰাজি নহ'ল। আনফালে সেই বামুণবোৰে তেতিয়াৰে পৰা শঙ্কৰক হিংসাৰ চকুৰে চাব ধৰিলে; কিন্তু শঙ্কৰ শঙ্কৰদেৱ নামেই জনাজাত হ'ল। মহেন্দ্ৰ কন্দলীৰ তত্বাৱধানত লিখাপঢ়া শিকি অলপ সময়ৰ

ভিতৰতে শঙ্কৰদেৱে বহু শাস্ত্ৰ অধ্যয়ন কৰি জ্ঞানমাৰ্গ মোকোলাই ললে। এই বিদ্যাৰ বলেৰে তেওঁ দশম পুৰাণ ভাগৱতাদি নানা শাস্ত্ৰ পুঙ্খানুপুঙ্খৰূপে পঢ়ি সাৰ সংগ্ৰহ কৰিলে; অসমত পবিত্ৰ বৈষ্ণৱধৰ্ম্ম প্ৰবৰ্ত্তন আৰু প্ৰচাৰ কৰিলে; ন'বা-তিৰুতা, কণা-কুজা আটায়ে সহজে বুজিব পৰাকৈ কীৰ্ত্তন দশমাদি লিখি অসমীয়া সাহিত্যৰ ওখ ভেটি স্থাপন কৰিলে।

শঙ্কৰদেৱৰ বুদ্ধি যেনে চোকা তেওঁ দেখিবলৈও তেনে সুন্দৰ সুঠাম আছিল। মূৰত কেকোঁৱাফুলীয়া দীঘল চুলি, মুখত স্নিগ্ধ মধুৰ হাঁহি, গৌৰবৰ্ণৰ ডাঙৰ দীঘল সৌম্য সুন্দৰ মূৰ্ত্তি। শঙ্কৰদেৱৰ দিব্যমূৰ্ত্তিয়ে দৰ্শক সকলৰ মনত অপাৰ আনন্দ দিছিল, হতাশ প্ৰাণত আশাৰ সঞ্চাৰ কৰিছিল। শঙ্কৰৰ-মূৰ্ত্তি—

দৰশিত সুন্দৰ গৌৰ কলেৱৰ
যৈছন সুৰ পৰকাশ।
সকল সভাসদ বচন বাকেৰি
দৰশনে পাপ বিনাশ॥
বিনে অলঙ্কৃত পেখি সুশোভন
গহীন গম্ভীৰ ধীৰ মতি।

আরক্ত কমল নয়ন বর সুন্দর
বয়ন চান্দকতো জ্যোতি ॥
লীলা গজগতি গমন বিলোকন
বাণী মেঘ গম্ভীর।
পাষণ্ড মর্দ্দন কলিকো কালে
যাকো সম নাহি ধীর ॥ —মাধবদেব।

শঙ্করদেব কেনে সুপুরুষ আছিল তাক বর্ণনা করি দৈত্যারি ঠাকুরে লিখিছে—

দেখিতে সুন্দর গৌরবর্ণ কলেবর।
করন্ত প্রকাশ অতি সূর্য্য সম সর ॥
রূপ দেখি কন্দর্পরো দর্পতোরে ক্ষয়।
সর্ব্বজন বশ্য থাকে মধুর বচন ॥
গমন গম্ভীর নেত্রে কমলর পাসি।
চন্দ্রসম বদন প্রকাশে অল্প হাসি ॥
সুবোধ সুধির ধীর গম্ভীর সাগর।
প্রীতি বাঢ়ি যায় তাঙ্ক সমস্ত লোকর ॥

নবনারায়ণ রজার রাজকবি ও ভূষণ দ্বিজ কবিয়ে শ্রীশঙ্কর-দেবর রূপ এইদরে বর্ণাইছে—

রাতুল অধর শোভে সুঠান সর্ব্বাঙ্গ।
পরম সুন্দর সব শরীর গৌরাঙ্গ॥

*　　*　　*　　*

শ্রীমন্ত শঙ্কর　　গৌর কলেবর
　　চন্দ্রর যেন আভাস।
বৃহস্পতি সম　　পণ্ডিত উত্তম
　　যেন সুর পরকাশ॥
ছত্রাকৃত মাথা　　শোভে কেশ তাত
　　কপোল সুসম আতি।
নাসিকা সুন্দর　　রাতুল অধর
　　দশন মুকুতা পাতি॥
শঙ্খ পুষ্প সম　　বদন প্রকাশে
　　সুন্দর ঈষত হাসি।
গম্ভীর বচন　　মধু যেন স্রবে
　　নয়ন পঙ্কজ পাশি॥

* * * *

মহাপৰ্শী বীৰ   যৌৱন শৰীৰ
ৰূপে নোহে কোনো সৰি ।
শঙ্কৰৰ নাম   কোনো নকাঢ়য়
বোলে সবে ডেকাগিৰি ॥

শঙ্কৰদেৱৰ যেনে শুৱনি পুৰুষ তেওঁৰ গাত তেনে বৰ বলো আছিল। এদিনাখন তেওঁ কমলিধৰা পৰমানন্দ আইতৰে সৈতে বাটেদি যাওঁতে এটা দুৰ্দ্দান্ত ষাঁড়ে বনৰ পৰা ওলাই আহি শঙ্কৰদেৱক খুচিবৰ মনেৰে তেওঁৰ পিনে ফেৰ পাতি আগবাঢ়ি আহিছিল। এই ষাঁড়টোৱে অনেক সময়ত বাটৰুৱাক ভীষণ-ৰূপে আক্ৰমণ কৰি বহুতক লটিঘটি কৰিছিল; কিন্তু ইবেলি সি শঙ্কৰৰ হাতত পৰি মৰাৰ দৰে হৈ কোনোমতে প্ৰাণ বচাই পলাই সাৰিল। শঙ্কৰে শিঙত ধৰি আছাৰ মাৰি তাক জালকৈ থেকেচিলে। সিদিনাৰে প্ৰাণলৈ পলাই সি শঙ্কৰৰ নাম শুনিলেই চকুকাণ চিপি বনৰকালে উলটি লৰ দিয়ে। তেতিয়াৰে পৰা বাটৰুৱা সকলেও নিৰ্ভয়ে যাতায়াত কৰিব ধৰিলে। সকলোৱে

মনত আনন্দই নধৰা হ'ল। যেয়ে শুনে সেয়ে বিস্ময়াম্বিত হৈ কবলৈ ধৰিলে—

"ঙ—কি মনুষ্যৰ কৰ্ম্ম যাওক জিনয়॥" —৮ভূষণ দ্বিজ কবি।

ৰামৰাম গুৰুৱে শঙ্কৰদেৱৰ যাঁড়মৰ্দ্দনৰ কথা শুনি "পুহিকে আশ্চৰ্য্য ইটো বিক্ৰম তোমাৰ" বুলি বাৰবাৰ শঙ্কৰৰ বলবীৰ্য্য প্ৰশংসা ক'ৰলে আৰু অশেষ আশীৰ্ব্বাদ বৰষিলে।

এসময়ত কিছুমান কছাৰীয়ে শঙ্কৰক ধৰিবৰ মনেৰে তেওঁৰ ঘৰৰ চৌপাশে বেঢ়ি আছিল। শঙ্কৰ বিষম সঙ্কটত পৰি আন আন মানুহৰ লগত ঘৰৰ পৰা ওলাই লৰমাৰি পলাই গ'ল. কিন্তু বাটত গৈ দেখে যে তেওঁৰ অতি আদৰৰ বস্তু কীৰ্ত্তন-ঘোষাখন এৰি গৈছে। বহুতে হকাবধা কৰাতো শঙ্কৰে কাৰো কথা নুশুনি নিৰ্ভয়ে ঘৰত সোমাই পুথিখন বিচাৰি ললে। ইতি মধ্যত আকৌ কছাৰিবোৰে আহি তেওঁক বেঢ়ি ধৰিলে। দুটা শকত আৰু কছাৰীয়ে তেওঁৰ দুৱাৰ মুখত থিয় দিলে। শঙ্কৰে একে উজাতে আহি কছাৰী দুটাক বগৰাই পেলাই ঢৌকাৰি ধৰি পৰেবানে পচকিলে আৰু সিঁহঁতক মূৰ্চ্ছিত অৱস্থাত এৰি লৰমাৰি গ'ল। কছাৰী দুটা এলাহেলা লোক নাছিল; সিঁহঁতৰ

একোজনৰগাত সাধাৰণ তৰপৰ ছয় কি সাত মুনিহৰ জোৰ আছিল। কিন্তু শঙ্কৰৰ হাতত সিঁহঁত তেনেই নিশকতীয়া হৈ পৰিছিল। ইয়াৰে পৰা বুজা যায় শঙ্কৰৰ শৰীৰ কেনে সুস্থ আৰু সবল আছিল। শঙ্কৰৰ শৰীৰ আৰু মন দুয়োটাৰে সুস্থতাৰ গুণত তেওঁৰ গাত মনুষ্যত্বৰ পূৰ্ণবিকাশ হৈছিল। সেই দেখিয়েই শঙ্কৰে অনেক বাধাবিঘিনিৰ মাজতো নানান কাম কৰি সুদীৰ্ঘ ছকুৰি বছৰকাল স্বাস্থ্যবান হৈ পৰমানন্দে জীৱন নিয়াব পাৰিছিল।

শঙ্কৰদেৱ এজন আদৰ্শ গৃহস্থী আছিল; কিন্তু তেওঁ সংসাৰ-জীৱনত থাকিও বিষয়ত তেনেই নিৰ্লিপ্ত আছিল। লোভ-মোহ আদি যি ছয়ৰিপুৱে সাংসাৰিক লোকক বশ কৰি লৈ বিষয়-বাসনাৰ কৰাল গ্ৰাসত জুকলা-জুপুৰা কৰে, সেই ৰিপুবোৰক শঙ্কৰদেৱে আত্মবশত ৰাখি বিষয়ভোগত জলাঞ্জলি দিছিল, আৰু সেই বলত বলীয়ান হৈ অশেষ অসাধাৰণ কাম সুচাৰুৰূপে সমাধা কৰিছিল। শঙ্কৰদেৱে দুজনী তিৰোতা বিয়া কৰাইছিল। তেওঁ তিনিজন ল'ৰা আৰু দুজনী ছোৱালীৰ জন্মদাতা আছিল। তথাপি ইমানতো তেওঁৰ মন সংসাৰ ভোগত আসক্ত

নাছিল। শঙ্কৰদেৱ সাংসাৰিক ধৰ্ম্মত থাকিও সংসাৰ-বৈৰাগী আছিল, বিষয়ত থাকিও ইন্দ্ৰিয়ৰ গোচৰ অতীত আছিল। দান পুণ্য আদি সৎকাৰ্য্যত শঙ্কৰদেৱৰ সদায় আগুৱান হৈ চলিছিল।

শঙ্কৰদেৱ এজন সিদ্ধ যোগী পুৰুষো আছিল। যোগসাধনাত তেওঁ সিদ্ধহস্ত হৈছিল। এই সাধনাৰ বলতে শঙ্কৰে বহুতো অলৌকিক ভঙ্গী দেখুৱাব পাৰিছিল; সময়ত পিণ্ডাকাৰ ধাৰণ আৰু পিছ মুহূৰ্ত্ততে বৃহৎ আকাৰ লব পাৰিছিল; ভাগেমান পৰলৈ বায়ুৰ চলাচল বন্ধ কৰি বায়ুস্তম্ভন কৰিব পাৰিছিল; যোগাসনত বহি শূন্যত উঠিব পাৰিছিল; সোঁহাতৰ বুঢ়া আঙুলিত ভৰদি তলমূৰ কৰি সমস্ত শৰীৰ শূন্যত ৰাখিব পাৰিছিল। এই যোগসাধনাৰ বলতে শঙ্কৰে শৰীৰ, মন আৰু প্ৰাণত অসীম শক্তিৰ সঞ্চাৰ কৰিছিল।

শঙ্কৰদেৱে দুবাৰ তীৰ্থভ্ৰমণ কৰিছিল; প্ৰথমবাৰ হৈছিল তেওঁৰ জীৱনৰ আগছোৱাতে। সেই সময়ত তেওঁ পিতৃ-পিতামহৰ দিনৰে পৰা চলি অহা দেৱীৰ পূজা সেৱা একেবাৰে এৰি দিয়া নাছিল—অৱশ্যে নানাশাস্ত্ৰ অধ্যয়নৰ গুণত দেৱদেৱীৰ পূজা সেৱাৰ প্ৰতি শ্ৰদ্ধা বহুত কমিছিল। মূৰ্ত্তি পূজাত বিশ্বাস থকা

অৱস্থাতেই শঙ্কৰে এই তীৰ্থ যাত্ৰা কৰিছিল। আত্মাৰ কল্যাণ সাধন আৰু ইহ পৰকালৰ সম্বল পুণ্য উপাৰ্জ্জন এই যাত্ৰাৰ তাঙ্কৰ লক্ষ্য আছিল। এইবাৰৰ ভ্ৰমণত শঙ্কৰে গঙ্গা, গয়া, কাশী, পুৰী আদি উত্তৰ-ভাৰতৰ প্ৰায় আটাইবোৰ প্ৰধান প্ৰধান তীৰ্থদৰ্শনকাৰ্য্য দানপুণ্যাদি কৰি ইহপৰকালৰ কাৰণে আত্মাৰ কল্যাণ সাধনত যত্নতৎপৰ আছিল। প্ৰত্যেক তীৰ্থতে নিজৰ অগাধ বিদ্যা আৰু বিচক্ষণ বুদ্ধিৰ বলত তীৰ্থৰ উপযোগীকৈ ৰচনা কৰা গীত, স্তোত্ৰ, স্তুতিমা আদিৰে ঈশ্বৰ উপাসনা কৰিছিল; দেৱদেৱীৰ মূৰ্ত্তিৰ আগত পৰি নিজৰ ৰচিত স্তোত্ৰ গাই সাষ্টাঙ্গে প্ৰণিপাত কৰিছিল; কিন্তু দেৱীৰ আগত জীৱবলি দিয়া প্ৰথাটো শঙ্কৰে সমূলি ভাল নেপাইছিল; সেইদেখি তেওঁ দেৱীৰ পূজা উপাসনা নিজেও এৰিলে আৰু আনকো এৰুৱাবৰ কাৰণে অহো পুৰুষাৰ্থ কৰিব ধৰিলে। তেওঁৰ এই চেষ্টাৰ ফলত নৰবলিতো উঠিলেই আনকি, অনেক ঠাইৰপৰা আন আন জীৱবলিও উঠি গ'ল। সেই সময়ত ভাৰতৰ বহুত ঠাইত জীৱবলিৰ প্ৰথা প্ৰচুৰ পৰিমাণে চলিছিল; সেই কাৰণে প্ৰায় সকলো তীৰ্থতে শঙ্কৰে শাস্ত্ৰালাপ আৰু শাস্ত্ৰকথা বিচাৰ

আৰু ব্যাখ্যা কৰোঁতে সাধু-সন্ন্যাসী আদি অনেক পণ্ডিতৰ লগত তৰ্ক কৰিব লগাত পৰিছিল; কিন্তু শঙ্কৰৰ বিচক্ষণ পাণ্ডিত্যৰ আগত সকলোৱে হাৰ মানিছিল আৰু শঙ্কৰক ভক্তিভাৱে শ্ৰদ্ধা জনাইছিল। এইদৰে শঙ্কৰে যেই সেই তীৰ্থতে সাধু পণ্ডিতক জিনি সম্মান সমাদৰ লভি ১২ বছৰ কাল কটালে। এই সময়ৰ ভিতৰত তেওঁ যে অকল পণ্ডিতালি কৰিয়েই ফুৰিছিল তেনে নহয়, জীৱজগতৰ হেতু বিচাৰ আৰু লগে লগে ঈশ্বৰ অন্বেষণো কৰিছিল। এই ভ্ৰমণত শঙ্কৰৰ পাণ্ডিত্যৰ সৌৰভ দেশেবিদেশে বিয়পি পৰিল। নানান ঠাইত নানাৰ কথা দেখি শুনি বহু জ্ঞান, বহুদৰ্শিতা আৰু বহু অভিজ্ঞতা লভিলে; কিন্তু ইমানতো শঙ্কৰৰ মন ব্যাকুল, প্ৰাণত শান্তি নাই; কাৰণ যি ভগৱানৰ অন্বেষণত শঙ্কৰে দুখ-তাপৰ হুতাশ-নিৰাশা সকলোলৈকে পিঠি দি সুদীৰ্ঘ বাৰ বছৰ কাল নানা ঠাইত ভ্ৰমি ফুৰিছিল, সেই ভগৱানৰ দৰ্শনলাভ তেতিয়া-লৈকে শঙ্কৰৰ ভাগ্যত নঘটিল। লাহে লাহে শঙ্কৰৰ প্ৰাণ আকুল হবলৈ ধৰিলে; ভগৱানৰ দৰ্শনলাভৰ আশা নিৰাশাৰ দোমোজাত পৰি শঙ্কৰৰ দুয়ো চকুৰেদি দুধাৰি তপত চকুলো

হৈ গ'ল। শঙ্কৰে নীৰৱে নীৰৱ মনে সভক্তি অন্তৰেৰে ভগবানৰ আৰাধনাত মনপ্ৰাণ নিয়োগ কৰিলে। একান্ত ভকতৰ কাতৰ প্ৰাৰ্থনাত ভক্তপ্ৰাণ ভগৱন্তৰ অন্তৰত ভক্তৰ প্ৰতি কৰুণা জন্মিল; শঙ্খ-চক্ৰ-গদা-পদ্মধাৰী নাৰায়ণ শঙ্কৰৰ হৃদি মন্দিৰত পৰমাত্মা পৰমচৈতন্য স্বৰূপে পূৰ্ণ-প্ৰতিভাৱে বিকশিত হ'ল। নিৰাশাৰ প্ৰলয়মেঘত আশাৰ বিজুলীয়ে বিজুলীয়ালে। তাৰ কিৰণত ঈশজ্ঞানৰ দিব্যজ্যোতি শঙ্কৰৰ প্ৰত্যেক অঙ্গ-প্ৰত্যঙ্গত প্ৰতিভাত হ'ল। শঙ্কৰৰ গোটেই শৰীৰ পুলকত শিয়ৰি উঠিল; মুখত বিশ্ববিমোহন মধুৰ হাঁহি সুনীল অকাশৰ পূৰ্ণিমা তৰাৰ দৰে শোভা পালে, দুয়ো চকুৰেদি দুধাৰি ভক্তি-অশ্ৰুৰ শীতল সোঁত বব ধৰিলে; কৰযোৰে প্ৰণতিপূৰ্ব্বক গদগদস্বৰে শঙ্কৰে গালে—

> বান্ধৱ কৃষ্ণ এ বিচাৰি ফুৰোঁ তোক।
> হিয়াৰ মাজত লুকাই আছা দেখা নেদা মোক॥

বহু যত্ন আৰু বহু অন্বেষণৰ ফলত শঙ্কৰৰ অভীষ্ট সিদ্ধি হ'ল—শঙ্কৰে প্ৰকৃত ঈশ্বৰজ্ঞান লভিলে। তেওঁ বুজিলে,

ঈশ্বৰলাভ তৰ্ক কিম্বা পাণ্ডিত্যৰ দ্বাৰা নহয়, কেৱল একান্ত ভক্তিৰ দ্বাৰাহে ঈশ্বৰক পাব পাৰি। শঙ্কৰে আৰু বুজিলে যে শ্ৰী ঈশ্বৰ কৃষ্ণ শ্ৰীবিষ্ণুৰূপে সবাৰো হিয়াত বিৰাজি আছে। তেওঁৰ বাহিৰে সংসাৰবাসীৰ আৰু দ্বিতীয় ঈশ্বৰ কিম্বা আৰাধ্য দেৱতা আন কোনো হব নোৱাৰে। তেতিয়াৰে পৰা শঙ্কৰে লোকক বুজাব ধৰিলে—

যাৰ ইচ্ছা মোক্ষ পাইবে নলাগে দূৰক যাইবে
আছা হৰি সবাৰে হিয়াত ॥

তীৰ্থভ্ৰমণ, মূৰ্ত্তিপূজা, যাগযজ্ঞ, তন্ত্ৰমন্ত্ৰাদি যে ঈশ্বৰৰ কৃপা লাভ কৰিবলৈ অলপো প্ৰয়োজনীয় নহয় আৰু সবাতোকৈ যে একমাত্ৰ হৰিনাম কীৰ্ত্তনেই শ্ৰেষ্ঠ সেই বিষয়ে শঙ্কৰে মানুহক শিকালে—

মন্ত্ৰ তন্ত্ৰ যজ্ঞ ব্ৰত তপ তীৰ্থ কোটি শত
হৰিনাম অধিক সবাতে।
কিনো ভাগ্য কিনো ভাগ্য হেন হৰি নাম লাগ
পাইলে লোক দুষ্কৃতি সাক্ষাতে ॥

আকৌ— তীৰ্থ বুলি কৰে জলত শুদ্ধি।
প্ৰতিমাত কৰে দেৱতা বুদ্ধি।
বৈষ্ণৱত নাই হেসব মতি।
গৰুতো অধম কৃষ্ণ বদতি॥

পূজা সেৱা তীৰ্থ আদি এৰি অন্তৰত ঈশ্বৰক থাপনা কৰি লৈ শুদ্ধমনে আৰু ভক্তিভাৱে একমাত্ৰ হৰিনাম শ্ৰৱণ-কীৰ্ত্তন কৰিলেই মানুহে সংসাৰৰ জ্বালা, যন্ত্ৰণা, নিকাৰ আদিৰ পৰা মোক্ষলাভ কৰিব পাৰে, এই বিশ্বাসতে শঙ্কৰে লোকক বুজালে—

তাই মুখে বোলা ৰাম হৃদয়ে ধৰা ৰূপ।
এহেকে মুকুতি পাইবা কহিলোঁ স্বৰূপ॥

ঈশ্বৰৰ স্বৰূপ কি, ক'ত থাকে, কেনেকৈ থাকে ইত্যাদি ঈশ্বৰ সম্বন্ধে শঙ্কৰৰ এতিয়া সকলো সন্দেহ মৰীচিকা দূৰ হ'ল। তেওঁ বুজিলে, ভগৱান একমাত্ৰ মনুষ্যৰ শৰীৰতে থকা নাই—বিশ্বনিয়ন্তা শ্ৰীহৰি পৰম বিষ্ণুৰূপে সকলোতে বিৰাজি আছে—

যত জীৱ জঙ্গম   কীট পতঙ্গম
অগ নগ জগ তেৰি কায়া ।
সবকহু মাৰি   পূৰত ওহি উদৰ
নাহি কৰত ভূত দায়া ॥
ঈশ স্বৰূপে হৰি   সব ঘটে বৈঠহ
যৈছন গগন বিয়াপি ।
নিন্দা বাদ   পৈশুন্য হিংসা হৰি
তেৰি কৰোহো হামু পাপী ॥

"ঈশ্বৰ সৰ্ব্বব্যাপী, মূৰ্ত্তিশূন্য, অব্যক্ত ; ব্যাপকত পূজা পুষ্পাঞ্জলি বিসৰ্জ্জনত কোনো কাম নাই ; হৃদয়ত সৰল ভক্তি, অন্তৰত দৃঢ়বিশ্বাস আৰু মুখত মহিমাময়ৰ নামকীৰ্ত্তন আৰু শ্ৰৱণত বাহিৰে জীৱৰ অন্য গতি নাই"—এই মূল তত্ত্বজ্ঞান সাৰোগত কৰি অৱতাৰ পুৰুষ শ্ৰীশঙ্কৰদেৱে অসমত বিশুদ্ধ সং বৈষ্ণৱ ধৰ্ম্ম-প্ৰৱৰ্ত্তন আৰু প্ৰচাৰ কৰিলে। তেওঁৰ ধৰ্ম্মমত যাতে সকলোৱে সহজে বুজিব পাৰে তাৰ কাৰণে শঙ্কৰে কত তত্ত্ব। গীত, ভটিমা, চৌপদ আদি ৰচনা কৰিলে, আৰু কীৰ্ত্তন, দশম আদি অমূল্য শাস্ত্ৰ লিখিলে। শঙ্কৰৰ এই সনাতন ধৰ্ম্মৰ

অনুপম নাম ৰসামৃত পান কৰি ভক্তসকল আনন্দত অধীৰ হ'ল, স্বৰ্গৰ প্ৰেম-মন্দাকিনীৰ ভক্তিৰসামৃত ঘৰতে বহি পান কৰিবলৈ পাই ধন্য মানিলে আৰু সবেও নাচি নাচি মুক্তকণ্ঠে গালে —

বৈকুণ্ঠ প্ৰকাশে হৰিনাম ৰসে
প্ৰেম অমৃতৰ নদী।
শ্ৰীমন্ত শঙ্কৰে পাৰ ভাঙি দিলা
বহে ব্ৰহ্মাণ্ডক ভেদি॥

আৰো—

আদি সত্যযুগে শুদ্ধ ধৰ্ম্ম আছিলেক মাত্ৰ হৰিনাম
দেৱ সকলে গুপ্ত কৰিলে কৰি কপট।
হেন হৰিনাম ব্যক্ত কৰি সমস্ত লোকক উদ্ধাৰিলা
শ্ৰীমন্ত শঙ্কৰে ভাঙ্গিলা সবাৰো কপট॥

নামকীৰ্ত্তনৰ মহিমা বৰ্ণাই শ্ৰীশঙ্কৰে লিখিছে,—

যিটো জনে যায় মাধৱৰ নাম ধৰি।
পাছে পাছে ফুৰে দেৱদেৱী স্তুতি কৰি॥
মূৰ্ত্তিমন্ত হয়া থাক প্ৰকাৰ মুকুতি।
লোক লোৱা বাপ বুলি কৰয় কাকুতি॥

পাপসংহাৰক হৰিনাম মহাবলী।
যাৰ ধ্বনি শুনি কম্পি পলায় পাপকলি॥

নামৰ কি অদ্ভুত মহীয়সী শক্তি! যি মুক্তি লাভৰ কাৰণে নৰনাৰীয়ে কত দুখ, কত দুৰ্গতি ভোগিব লগাত পৰে সেই মুক্তিয়েও নামৰ গুণত নৰনাৰীৰ পিছে পিছে ফুৰে। নামৰ মহিমা বোধি শঙ্কৰদেৱে জগতত প্ৰচাৰিলে 'একশৰণ ধৰ্ম্ম'। তেওঁৰ মন্ত্ৰ হ'ল,—

এক দেৱ এক সেৱ
এক বিনে নাহি কেৱ॥

ঈশ্বৰ বিষ্ণু তৰুমূল আৰু আন আন দেৱদেৱীবিলাক তাৰ ডাল পাত স্বৰূপ। গছৰ ডাল পাতত পানী নিদি যেনেকৈ গুৰিত দিলেহে পানী গুণ দিয়ে সেইদৰে আন দেৱদেৱীক নভজি একমাত্ৰ ঈশ্বৰ কৃষ্ণত শৰণ ললেহে গুণ হয়। যি কৃষ্ণ অখণ্ডৰূপী সত্য-সনাতন তেৱেঁই সৃষ্টি-স্থিতি প্ৰলয়ৰ কাৰণ, তেৱেঁই সকলো অৱতাৰৰ আদি পুৰুষ; তাকে লৈ শঙ্কৰে কীৰ্ত্তনৰ আদিতে লিখিছে,—

প্ৰথমে প্ৰণামো ব্ৰহ্মৰূপী সনাতন ।
সৰ্ব্ব অৱতাৰৰ কাৰণ নাৰায়ণ ॥

শ্ৰীশঙ্কৰৰ মতে হৰিনাম কীৰ্ত্তনত দেশ-কাল, জাতি-অজাতি, পাত্ৰ-অপাত্ৰৰ কোনো বিচাৰ নাই। যেই-সেই লোকে যেই-সেই ঠাইতে আৰু যি কোনো অৱস্থাত হৰিনাম কীৰ্ত্তন কৰিব পাৰে আৰু নাম-মাহাত্ম্যৰ অধিকাৰীও হব পাৰে ।

শঙ্কৰৰ মতে—

যিটো মহা ম্লেচ্ছ জাতি   সিও শুদ্ধ হোৱে আতি
মুখে মাত্ৰ হৰিনাম লয় ।

•   •   •   •

জানিলো ব্ৰাহ্মণ জন্ম   হুইবেক নলাগে তাৰ
যিটো কৃষ্ণ কথাত ৰসিক ।
যৈতে তৈতে হওক জন্ম   সি সি জন সৰ্ব্বোত্তম
যাৰ শ্ৰদ্ধা হৰি ভকতিত ।

•   •   •   •

জাতি কুলাচাৰ ধৰ্ম্মে   কোন-কাৰ্য্য সাধিবেক
আন কোন কাৰ্য্যত শকত ।

অজ্ঞানী অজাতি পাপী কৃষ্ণক ভজোক মাত্ৰ
তাৰো হৈবে পৰম মহত্ত ॥

• • • •

পৰম নিষ্কল ধৰ্ম্ম হৰিনাম কীৰ্ত্তনত
সমস্ত প্ৰাণীৰ অধিকাৰ ।
এতেকেসে হৰিনাম সমস্ত ধৰ্ম্মৰ ৰাজা
এহি সাৰ শাস্ত্ৰৰ বিচাৰ ॥
হৰিনাম কীৰ্ত্তনত নাহি কাল দেশ পাত্ৰ
নিয়ম সংযম একো বিধি ।
হৰিত শৰণ লৈয়া কেৱলে হৰিৰ নাম
কীৰ্ত্তন কৰন্তে হোৱে সিদ্ধি ॥

• • • •

আৰো—

নাহি ভকতিত জাতি অজাতি বিচাৰ ।
কৃষ্ণত ভকতি সমস্তৰে অধিকাৰ ।— বস্তাকো ।
পাৰো ভোট যৱনে হৰিনাম লয় ।
হেন হৰিনাম দুৰ্জ্জনে নিন্দয় ॥

ওপৰত তুলি দিয়া কথাকিলাকৰ পৰা সুন্দৰকৈ বুজা যায় যে শঙ্কৰৰ প্ৰৱৰ্ত্তিত আৰু প্ৰচাৰিত ধৰ্ম্মত জাতি-বৰ্ণৰ ভেদ নাই—সকলো জাতিৰে সমান অধিকাৰ আছে। এই ধৰ্ম্মত দেশ-কাল-পাত্ৰ আদি নিয়ম সংযমৰো কোনো বিধি নাই। একাগ্ৰমনে হৰিত শৰণ লৈ শুদ্ধভাৱে হৰিনাম গালেই সৰ্ব্ব-প্ৰকাৰ সিদ্ধি লভা যায়।

শঙ্কৰদেৱৰ প্ৰচাৰিত মহাপুৰুষীয়া ধৰ্ম্মৰ বৰ্ত্তমান অৱস্থাত যিদৰে জাতিভেদ আদি দেখা যায় ই সম্পূৰ্ণৰূপে মহাপুৰুষৰ মতৰ বাহিৰ। জাতি-বৰ্ণনিৰ্ব্বিশেষে উপযুক্ত পাত্ৰক শ্ৰীশঙ্কৰদেৱে ধৰ্ম্মৰাজ্যত কেনে উচ্চ আসন দিছিল তাৰ প্ৰমাণ স্বৰূপে কেইটিমান মহাপুৰুষীয়া পন্থাৰ ডাঙৰ ভকতৰ নাম উল্লেখ কৰিলোঁ—

ব্ৰাহ্মণ—কেশৱ চৰণ আতৈ, গোপীনাথ আতৈ, বাসুদেৱ আতৈ, পৰমানন্দ ভাগৱতী ইত্যাদি।

কায়স্থ— হৰিচৰণ আতৈ, কমললোচন আতৈ, মুৰাৰি আতৈ ইত্যাদি।

গাৰো— গোবিন্দ আতৈ।

মিৰি— ৰাম আছে।
মিকিৰ— হৰি আছে।
ভোট— ভুটীয়া আছে।
যবন— হৰিদাস আছে, চান্দসাই আছে।
মেচ—জয়হৰি আছে।
জালোৱা কৈবৰ্ত্ত—মদিনাৰ আছে।

ওপৰত উল্লেখ কৰা জাতিবোৰৰ পৰা কাৰো বুজিবৰ বাকী নেথাকে যে শ্ৰীশঙ্কৰদেৱে সকলো জাতিৰ মানুহকে তেওঁৰ ধৰ্ম্মৰ ভিতৰুৱা কৰি লৈছিল;—এক কথাত কবলৈ গ'লে কব পাৰি যে শ্ৰীশঙ্কৰৰ ধৰ্ম্মমতত মানুহমাত্ৰৰেই পূৰ্ণ অধিকাৰ আছিল। কিন্তু আজি অনুপযুক্ত লোকৰ হাতত এই অদ্বিতীয় উদাৰপন্থা সংকীৰ্ণ হব লগাত পৰিছে। আজি আমি মিচনাৰী পাদ্ৰীবোৰৰ উদাৰ মত দেখি হা-কৰি সিহঁতৰ পিনে চাই অবাক হৈছোঁ; সিহঁতৰ নৰ-নাৰায়ণৰ সেৱা দেখি বিস্ময় মানিছোঁ। কিন্তু মহাপুৰুষীয়া! মনত ৰাখিবা তোমালোকৰ আদিগুৰু শ্ৰীশঙ্কৰদেৱে জগতত অদ্বিতীয় উদাৰ পন্থা তোমালোকক দেখুৱাই গৈছে—সেই পন্থাতে তোমালোকক দীক্ষিত কৰি

গৈছে। এতিয়া তোমালোকৰ কৰ্ত্তব্য আৰু বিচাৰি সেই মহান্ পন্থাক আকৌ উদাৰভাৱে আকোৱালি ধৰা।

শ্রীশঙ্কৰদেৱে তেওঁৰ প্ৰবৰ্ত্তিত ধৰ্ম্ম-প্ৰচাৰত মহাপুৰুষ মাধৱ দেৱক প্ৰধান শিষ্যৰূপে পাই গোটেই অসমতে আৰু বঙ্গলাৰ ৰংপুৰ, কোচবিহাৰত মহাপুৰুষীয়া ধৰ্ম্মৰ ঠাট পাতিলে। গাৱেঁ-ভূঁয়ে কীৰ্ত্তনঘৰ সজোৱাৰ প্ৰথা উলিয়ালে যাতে সকলোৱে একেলগ হৈ এঠাইত বহি হৰিনাম কীৰ্ত্তন আৰু নামমাহাত্ম্য আলোচনা কৰিব পাৰে। শঙ্কৰৰ এই কীৰ্ত্তনঘৰৰ সৃষ্টি সমাজ-সংস্কাৰত বৰ সহায় হৈ উঠিল। প্ৰত্যেক কীৰ্ত্তনঘৰ কিম্বা থান বা সত্ৰতে একোজন মুখিয়াল পাতি তেওঁক মেধি, মহন্ত বা সত্ৰাধিকাৰ নাম দিলে। এই মুখিয়াল জনৰ তত্বাৱধানত কীৰ্ত্তন ঘৰবোৰত যে অকল নামকীৰ্ত্তনেই চলিছিল তেনে নহয়, সমূহ ভকতৰ ভিতৰত হোৱা হাই-কাজিয়া আদিৰো সুবিচাৰ হৈছিল আৰু সমাজৰ আচাৰ, ৰীতি, নীতি আদিৰ বিষয়েও আলোচনা চলিছিল। মুঠতে এই কীৰ্ত্তনঘৰবোৰেই আমাৰ গাৱঁলীয়া সমাজৰ ঈশ্বৰ উপাসনাৰ ঠাই—ধৰ্ম্মমন্দিৰ, লেখোতাৰ বিদ্যালয় আৰু থাহি মেলনিৰ ৰাজহাউ। ইয়াতেই ডেকা-বুঢ়া-লৰা-ছোৱালী

সকলোৱে বহি নানান কথা পাতে, দুখৰ সুখৰ আলাপ কৰে, কীৰ্ত্তন-ভাগৱত পঢ়িশুনি শান্তি লভে, সমাজৰ হিতকথাৰ আলোচনা কৰে। দুখৰ বিষয় বৰ্ত্তমান কালত কীৰ্ত্তনঘৰ-বোৰৰ অৱস্থা তেনেই কাহিল। সমাজৰ বান্ধ সোলোকা; আলোচনাৰ বিষয় খিণলগা; তাহি ধেমালিৰ সমল ঠাট্টা বিদ্ৰূপ; কাজিয়াখিৰ বিচাৰত ন্যায়ৰ নামত ভীষণ অন্যায়; ধৰ্ম্মকৰ্ম্মৰ ঠাই অধিকাৰ কৰিলে সংকীৰ্ণ কুলাভিমানে; নৰ-নাৰায়ণৰ সেৱাৰ ঠাই ললে 'সুবুদ্ধি' মতে। এইদৰে সকলো প্ৰকাৰে নামঘৰবোৰৰ অতীত গৌৰৱ বিস্মৃত হোৱাৰ অনেক প্ৰমাণ পোৱা যায়। আজি সত্ৰাদিৰ পুনৰ সংস্কাৰ নিতান্ত আৱশ্যকীয় হৈ উঠিছে। এই সত্ৰ আদিৰ সময় উপযোগী সংস্কাৰ যিমান সোনকালে হৈ উঠে অসমীয়া জাতিৰ জাতীয় উন্নতিও সিমান সোনকালে হোৱাটো অৱশ্যম্ভাৱী। অসমীয়াই সদায় মনত ৰখা উচিত যে তেওঁলোকৰ গাৱঁলীয়া সত্ৰ নামঘৰ আদিয়েই অসমীয়াৰ সৰ্ব্বাঙ্গ সুন্দৰ উন্নতিৰ মূল খুঁটি।

শ্ৰীশঙ্কৰদেৱে মহাপুৰুষীয়া বৈষ্ণৱধৰ্ম্মৰ বীজ সিঁচি তাৰ বহুল প্ৰচাৰ আৰু পোষাকতাৰ বাবে দ্বিতীয়বাৰ তীৰ্থভ্ৰমণ

কৰে। এইবাৰৰ যাত্ৰাত তেওঁ য'তে ত'তে তেওঁৰ প্ৰচলিত ধৰ্ম্মসম্বন্ধে আলোচনা কৰি ফুৰিছিল আৰু যাতে তেওঁৰ মত দেশব্যাপী প্ৰচাৰিত হয় তাৰ বাবে তেওঁ প্ৰায় গোটেই ভাৰতৰ তীৰ্থবোৰকে দৰ্শন কৰি ঘূৰিছিল। তেওঁৰ ধৰ্ম্মমত যাতে সকলো ঠাইৰ সকলো মানুহে সহজে হৃদয়ঙ্গম কৰি লব পাৰে তাৰ বাবে শঙ্কৰদেৱে বিশেষ যত্ন লৈছিল আৰু সেই উপলক্ষে প্ৰায় গোটেই ভাৰতৰ সকলো ভাষাৰ সামঞ্জস্য ৰাখি এক মিহলি অথচ শুৱলা সুৱলী ভাষাত গীত মাত ৰচি প্ৰচাৰ কৰিছিল। সেই দেখিয়েই আজি আমাৰ বঙালী ভায়াসকলে শঙ্কৰৰ ৰচনাক বঙালীলিপকৰ লিখা আৰু শঙ্কৰক বঙালী বুলি কবলৈ অলপো কুণ্ঠিত হোৱা নাই। বঙ্গদেশৰ নিচিনাকৈ শঙ্কৰৰ ৰচনাৱলী আৰু ধৰ্ম্মমত ভাৰতৰ পশ্চিমৰ ফালে প্ৰচাৰ হ'লে যে আমাৰ পছিমীয়া ভায়াসকলেও শঙ্কৰক পছিমীয়া বুলি নকব তাত অকণো সন্দেহ নাই। ইয়াতেই শঙ্কৰৰ মহানুদৰ্শিতাৰ পৰিচয় পোৱা যায়।

শ্ৰীশঙ্কৰদেৱ অসমীয়া সাহিত্যৰ পিতৃস্বৰূপ। তেওঁ ৩২খনমান ধৰ্ম্মপুথি লিখে আৰু বহুত গীত ভটিমা আদি ৰচনা

কৰে। কীৰ্ত্তনঘোষাত থকা ঘোষাৰ পদ্ধতিকৰ্ত্তা শঙ্কৰেই। পৃথিৱীৰ কোনো ধৰ্ম্মশাস্ত্ৰতে এনে ওখ ধৰণৰ তাৎপৰ্য্য আৰু সুন্দৰ অৰ্থ থকা গুৰুণা কথা আছে বুলি আমাৰ বিশ্বাস নহয়। তদুপৰি ভাষাৰ প্ৰাঞ্জলতা, ছন্দৰ ঝঙ্কাৰ, সুৰৰ লালিত্য, ভাবৰ মাধুৰ্য্য, ভক্তিৰ অচলতা, চিত্তৰ দৃঢ়তা, চিন্তাৰ উচ্চতা আদিৰ সমষ্টিৰে শঙ্কৰদেৱৰ কীৰ্ত্তন ৰচিত। ৰুক্মিণীহৰণ নাটক শ্ৰীশঙ্কৰৰচিত গদ্যপুথি। এই গদ্য নাটকৰ ৰচনা কালত সভ্য জগতৰ কোনো জাতিৰ ভাষাত তেনে উচ্চ ধৰণৰ গদ্যপুথি নাছিল বুলি কলেও অলপো অত্যুক্তি কৰা নহয়। এক প্ৰকাৰে কবলৈ গলে ৰুক্মিণীহৰণেই সভ্য জগতৰ সৰ্ব্বপ্ৰথম গদ্যপুথি।

শঙ্কৰদেৱ অসমীয়া নাট-ভাওনাৰ আদি গুৰু। তেওঁ তীৰ্থ-ভ্ৰমণত নানাঠাইত নানাৰকমৰ ভাও-ভঙ্গী, নাচ-বাগ, বাদ্য-যন্ত্ৰাদি দেখি শুনি অসমত সিবোৰৰ সৃষ্টি কৰে। ভাওনাবোৰত তেওঁ নিজে ভাৱৰীয়া সাজি নাচিছিল; নানা অঙ্গীভঙ্গীৰে মানুহৰ মন প্ৰাণ মুগ্ধ কৰিছিল; শঙ্কৰৰ ভাওনা চাবলৈ হাজাৰ হাজাৰ মানুহ গোট খাইছিল। এই দৰ্শকবৃন্দৰ মাজত অসংখ্য ল'ৰা-ছোৱালী আছিল। শঙ্কৰে বিৰাট সমাজখনক নিজৰ কৰাবলৈ

নাচি-বাগি ঘুৰি-ঘূৰি খোল তালৰ নানান বাজনা বজাইছিল ; লগে লগে ৰাগিণী টানি সুৰলা গীত গাইছিল ; তাৰ পিচতে সক সক ল'ৰা-ছোৱালীবোৰৰ হাই-উকমি দূৰ কৰিবলৈ নচুৱা উলিয়াই নানান অঙ্গী-ভঙ্গীৰে নাচোন নচুৱাইছিল ; মাজে মাজে সমজুৱা সকলৰ টোপনি ভাঙিবলৈ আৰু ভাওনাৰ পিনে মন আকৰ্ষণ কৰিবলৈ খেমেলীয়া বাজনা বজাই থলক লগাইছিল, নাটৰ আৰম্ভণিতে সূত্ৰধাৰ এজন উলিয়াই নচুৱাইছিল আৰু সেই সূত্ৰধাৰৰ মুখেৰে গোটেইখন নাটৰ সাৰখিনি গীতৰ আকাৰে কিম্বা শ্লোকৰ দ্বাৰা গোৱাই নিজে তাৰ সুন্দৰ ব্যাখ্যা দিছিল ; এই ব্যাখ্যাৰ সহায়তে দৰ্শকসকলে নাটৰ ভিতৰুৱা কথা অতি সহজে বুজিব পাৰিছিল। ৰামৰ বনবাস নাটৰ ভাওনা কৰোঁতে সূত্ৰধাৰৰ দ্বাৰাই গোৱাইছিল—

আদৌ ৰামস্য তপোবনং প্ৰবেশনম্।
হত্ত-মৃগ-কাঞ্চনং বৈদেহী-হৰণম্ ॥
জটায়ু-মৰণং সুগ্ৰীব-সম্ভাষণম্।
বালি-নিগ্ৰহণং সমুদ্ৰ-তৰণম্ ॥

লঙ্কাপুৰীদাহনং পশ্চাৎ ৰাৱণ-।
কুম্ভকৰ্ণমৰণম্ এতদ্ধি ৰামায়ণম্॥

মুঠেই চয়পাৰী কথাৰ দ্বাৰা ৰামায়ণৰ সাৰ মানুহক বুজাইছিল। নাটত থকা বন্দাবাণী কিম্বা গোসাঁইক তাওনাৰ মাজলৈ আনোতে সূত্ৰধাৰে যি ললিত ৰাগিণীত তেওঁলোকৰ আহ্বান গীতি গায় সি অতি মধুৰ আৰু অতি গুণ ধৰণৰ। নাটৰ অন্তত পুনৰাৰ বৰগীতেৰে যেতিয়া নাটৰ সামৰণি মাৰে সেই দৃশ্য যে কেনে ভক্তিসূচক তাক বৰ্ণোৱা অসম্ভৱ। দৰ্শকসকলে তাওনাৰ লগে লগে হাঁহে, কান্দে, ঈশ্বৰপ্ৰেমত আপোন পাহৰা হয় আৰু কেনেকৈ ৰাতিটো কটায় তাক কব নোৱাৰে। এনে গুণধৰণৰ তাওনা সভ্য-জগতত কিমান হয় নাজানো কিন্তু নিজে হ'লে কেতিয়াও ক'তো দেখা নাই আৰু আনে ক'ৰবাত দেখিছে বুলিও শুনা নাই। তাওনাৰ সৃষ্টিৰ দ্বাৰা শঙ্কৰে অকল যে মানুহৰ মনত ৰং লগাইছিল তেনে নহয়; ৰামকৃষ্ণ আদিৰ লীলা আৰু মহিমা কীৰ্ত্তন কৰি সকলোৰে অন্তৰত ভক্তিৰ উদ্ৰেক কৰিছিল। নাট-তাওনাৰ সৃষ্টিয়ে শঙ্কৰৰ ধৰ্ম্মপ্ৰচাৰ কাৰ্য্যত বৰ ভাবে সহায় হৈ উঠিছিল।

সৰ্ব্বগুণাকৰ শ্ৰীশঙ্কৰে সুন্দৰ ছবি আঁকিব জানিছিল আৰু ধুনীয়া কাপোৰ বব জানিছিল। কাপোৰত ফুল তোলাত শঙ্কৰ বৰ পাৰ্গত আছিল। 'বৃন্দাবনীয়া কাপোৰ' নাম দি এখন বৰ চ'হৰ দীঘল কাপোৰ বৈছিল; সেই কাপোৰখনত তেওঁ বৃন্দাবনৰ কৃষ্ণলীলাৰ আটাইবোৰ ছবি নিজ হাতে আঁকিছিল। আজিও বৰপেটাৰ কীৰ্ত্তনঘৰৰ দৈৰ্ঘ্যই শঙ্কৰৰ বৃন্দাবনীয়া কাপোৰৰ দৈৰ্ঘ্যৰ চিন ৰাখি আছে।

লাহে লাহে শঙ্কৰৰ ধৰ্ম্ম গোটেই পুৱণি কামৰূপত আৰু উজনি দেশৰ ভালেমান ঠাইত বিস্তাৰিত হ'ল। কিন্তু কিছুমান সংকীৰ্ণমনা বামুণৰ এই কথা সহ্য নহল। সিবিলাকে কোচৰজা নৰনাৰায়ণৰ আগত শঙ্কৰৰ বিৰুদ্ধে নানান খল লগাই ডাঙৰ অভিযোগ আনিলে। ৰজায়ো বামুণ কেইজনৰ কথাত সভাত ৰাখি শঙ্কৰৰ ওপৰত খঙতে জ্বলি-পকি উঠি তৰ্জ্জন গৰ্জ্জন কৰিলে আৰু শঙ্কৰক ধৰি আনিবলৈ মানুহ পাচিলে;—

সভামধ্যে শঙ্কৰক বিস্তৰ গৰ্জ্জিলা।
দশজন গড়যৌলি ৰাজা পাঠি দিলা॥

—৺ভূষণ দ্বিজ কবি।

শকত আৰক্ত গড়খৌনিবোৰে দশোদিশে বিচাৰি শঙ্কৰক ধৰি নি ৰাজসভাত উপস্থিত কৰালে। বন্দী শঙ্কৰৰ উপস্থিতিত ৰাজসভা আলোকিত হ'ল; সভাস্থ লোক সকলৰ অন্তৰত বিজুলী চমকিত হ'ল; শঙ্কৰে সুললিত সুৰে বজ্ৰগম্ভীৰস্বৰে গান ধৰিলে—

মধু দানৱ দাৰণ দেৱ ৱৰম্।
বৰ বাৰিজ লোচন চক্ৰ ধৰম্॥
ধৰণী ধৰ ধাৰণ ধ্যেয় পৰম্।
পৰমাৰ্থ বিদ্যাগত নাশ কৰম্॥

কৰ চূৰ্ণিত চৈদপ ভূৰি ভগম্।
ভগভূষণ কোঞ্চিত পাদযুগম্॥
যুগনায়ক নাগৰ বেশৰুচিম্।
ৰুচিৰাংশুশিখান শৰীৰ শুচিম্॥

শুচি চামৰ বায়ু নিসেব্য তনুম্।
তনু মধ্যম দেহ সুৰেশ হনুম্॥

হনুমন্ত হরীশ সহায় রতম্।
রতবাঙ্গ পরায়ণ শক্র নতম্॥

নতবর্ত্তুল স্থূল সুদীর্ঘ ভুজম্।
ভুজগাধিপ তল্প শয়ানমজম্।
অজরামর বিগ্রহ বিশ্ব গুরুম্।
গুরু শোধন কামদ কল্পতরুম্॥

তরুণী মনমোহন সর্ব্ব শুভম্।
শুভ মঙ্গলদায়ক লীল নিভম্॥
ইভ কুম্ভজ মৌক্তিক মাল্য বহম্।
বহুলোবস মিষ্টম সর্ব্বসহম্॥

সহজাবৃত পদ্মদলাক্ষ চিদম্।
চিদানন্দ বিনোদন কেলিরম্॥
বিদুষামন মণ্ডন কম্বুগলম্।
গলশোভিত কৌস্তুভ জীবকলম্॥

কলত্রয় সহোদর সত্য বপুম্।
বপুর্নির্জ্জিত বিশ্ব সুরারি রিপুম্॥
রিপু দুঃখদ দুঃখদ দর্পহরম্।
হরমৌলি নিঘৃষ্ট পদাব্জ পরম্॥

পরলোক সহায় সহস্র মুখম্।
মুখরালি কুলাকুল মাল্যসুখম্॥
সুখ মোক্ষদ দক্ষ রমারমণম্।
মনসো পরিধেয় সহস্রফণম্॥

ফনতোস্মি নতোস্মি নতোস্মি হরিম্।
হরি বৈরী হুতাশন ভোগ্য হবিম্॥
হবি কিঙ্কর শঙ্কর ঈশ পদে।
পদমিচ্ছন গায়তি চামৃত দে॥

চৌটয় শুনি বলাই অতিশয় আনন্দ পালে; দিব্য জ্যোতির্ম্ময় মূর্ত্তি দেখি স্তম্ভিত হ'ল; হাতে হাতে কৰা মুখত প্রতিজ্ঞাত বোধ শৰীৰৰূপী শক্তিৰ কিৰণত ৰঙাৰ অন্তৰ কঁপি

উঠিল; বামুণৰ খলত শঙ্কৰৰ ওপৰত হোৱা সংবাদ সকলো ওৰ পৰিল; শঙ্কৰৰ পাণ্ডিত্যৰ শলাগলৈ ৰজাই যথেষ্ট আদৰ সম্মান জনালে। বন্দী শঙ্কৰৰ হাতৰ বান্ধ সোলকিল; শঙ্কৰ মুক্ত হ'ল আৰু উচ্চ আসন লভিলে। শঙ্কৰদেৱ ৰাজসভাত বহি থাকোতে ৰজাই ৰজাৰ দায়িত্বত সভাৰ পণ্ডিতমণ্ডলীক ক'লে, "পণ্ডিতসকল! কালিলৈ আপোনালোকৰ প্ৰত্যেকে ভাগৱতৰ সম্পূৰ্ণ কৃষ্ণলীলা বৰ্ণনা কৰি সকলোৱে বুজিব পৰাকৈ সৰল ভাষাত লিখি এটা কবিতা আনিব।" ৰজাৰ আদেশত পণ্ডিত সকলৰ মূৰৰ চুলি ঠিয় হ'ল; সকলোৱে বিস্ময়ান্বিত হৈ সমস্বৰে কব ধৰিলে; "মহাৰাজ! আমাক তেনেকৈ কাম দিয়াত কৈ এনে হুকুম নকৰে কেলেই বোলে কালিলৈ তোমালোকে এটা হাতী মাৰি ভুককাত ভৰাই আনিবা হঁক।" ৰজাই তেওঁ-লোকৰ কথাৰ কোনো উত্তৰ নিদিলে; মনে মনে থাকি শঙ্কৰৰ পিনে চকু ঘূৰালে আৰু তাৰ পিচদিনাও ৰাজসভালৈ আহিব লাগে বুলি ইচ্ছা প্ৰকাশ কৰিলে। সিদিনালৈ সভা ভঙ্গ হ'ল; সকলোৱে ঘৰাঘৰি গ'ল; শঙ্কৰেও তেওঁৰ কাৰণে বন্দবস্ত কৰা ঘৰলৈ গৈ তেতিয়াই সাঁচিপাত সুন্দৰকৈ কাটি ৰং

লগাই ললে। ৰাতিৰ ভিতৰতে কৃষ্ণলীলা বৰ্ণনা কৰি কবিতা লিখি এটালে। পিচদিনা যথাসময়ত গৈ ৰাজসভাত উপস্থিত হ'ল। আন আন পণ্ডিতবোৰ হ'লে শঙ্কৰতকৈ আগেয়ে গৈ ৰাজসভাত বহি আছিল। তেওঁলোকে শঙ্কৰক ৰাজসভাত সোমোৱা দেখিয়েই উপহাসজনক হাঁহি খিকিন্দালিৰে সভাঘৰ থলক লগালে। আনপিনে শঙ্কৰে তেওঁৰ স্বাভাৱিক মধুৰ হাঁহিটিৰে দহোদিক্ উজ্বল কৰি হস্তী গমনে গৈ ৰজাৰ কাষ চাপিল আৰু চাৰিওপিনে চুণৰ ফোঁট দিয়া বাঁহৰ চুঙা এটা ৰজাৰ ফালে আগবঢ়াই দিলে। ৰজাই 'সেয়া কি' বুলি সোধাত শঙ্কৰে গহীনাই মাত লগালে, "মহাৰাজ! এইটো আন একো নহয়; মই এটা লাঠী মাৰি এই তুৰুকাক ভৰাই আনিছো।" শঙ্কৰৰ কথা শেষ হবলৈ নৌপাওঁতেই অবোধ পণ্ডিতসকলৰ বিদ্ৰূপৰ চৌ বেছিতো বেছি হ'ল; তেওঁলোকৰ হাঁহিৰ খৰ্ খকনিত সকলোৱে কাণ তাল মাৰি ধৰিলে; কিন্তু শঙ্কৰ অচল-অটল; কিছুতেই তেওঁৰ গাৰ নোম এডালো নলৰিল। শঙ্কৰে ৰজাৰ অনুমতি লৈ চুঙাৰ পৰা পুথিখনি উলিয়াই মেলি ল'লে আৰু ৰাগিণী টানি সুললিত সুৰত পাঠ ধৰিলে। শঙ্কৰৰ মেঘ-গম্ভীৰ স্বৰ, মধুৰ সুৰ আৰু তালমান

ৰাগিণীত ৰজা পৰম বিস্ময়াম্বিত হৈ থৰ লাগি শঙ্কৰৰ চকুলৈ চাই থাকিল; পণ্ডিতসকল ক্ষোভৰ মুখত চূণ-সাথা পৰাদি অধোবদন হৈ লাজতে মুচকচ গ'ল। শঙ্কৰে সঁচাকৈয়ে হাতী মাৰি ভূকফাত ভৰালে। এবাতিৰ ভিতৰতে সকলোৱে সহজে বুজিব পৰাকৈ সৰল ভাষাত ভাগৱতৰ অসমীয়া পদ্য ৰচনা কৰিলে,— এয়েই অসমীয়াৰ গৌৰৱৰ ধন 'গুণমালা'। কবিতা শুনি ৰজাৰ শৰীৰ পুলকিত হ'ল, প্ৰাণত আনন্দৰ স্পন্দন উঠিল, সভক্তিৰে শঙ্কৰৰ আগত মূৰ দোঁৱালে আৰু শঙ্কৰৰ ওচৰত ধৰ্মবস্তু যাচ্ঞা কৰিলে। কিন্তু শঙ্কৰে ৰজাৰ গুৰু হবলৈ অনিচ্ছা প্ৰকাশ কৰিলে। আনপিনে ৰজাই শঙ্কৰক ৰবকৈ টানি ধৰিলে। শঙ্কৰে ৰজাৰ কাতৰ গোহাৰি এৰাবৰ অন্য উপায় নেদেখি চকুৰি বছৰ বয়সত ১৫৬৯ খৃষ্টাব্দৰ ভাদমহীয়া শুক্লা দ্বিতীয়াত নিজৰ প্ৰতিজ্ঞা ৰাখি যোগাসনত বহি মানবলীলা সম্বৰণ কৰিলে। সিদিনাই শঙ্কৰৰ মানব মূৰ্ত্তিৰ অন্ত পৰিল; কিন্তু অৱতাৰ পুৰুষ শঙ্কৰৰ মাহাত্ম্য আজিও অসম আকাশত সন্ধিয়াৰ জোঁটা-তৰাৰ দৰে জিলিকি আছে। প্ৰত্যেক অসমীয়া নৰ-নাৰীৰ অন্তৰত শঙ্কৰৰ গুণৰাশি পুঞ্জীভূত হৈ দিব্যমূৰ্ত্তি ধাৰণ

কৰিছে ;—অসমৰ হাবিয়ে-বননিয়ে, পৰ্ব্বতে-কন্দৰে শঙ্কৰৰ মূৰ্ত্তিমান মধুৰ স্মৃতি বিৰাজ কৰিছে। অসমীয়াৰ ঘৰে ঘৰে কৰ্ণিত শঙ্কৰৰ কীৰ্ত্তনে পূজাভাগ পাই ধৰিছে ; প্ৰত্যেক গুণগ্ৰাহী অসমীয়াই শঙ্কৰৰ নামত নতশিৰ হৈ ভক্তিভৰে শঙ্কৰৰ মহিমা কীৰ্ত্তন কৰি নিজক ধন্য মানিছে। অসমীয়াই বিশেষকৈ মহাপুৰুষীয়া সম্প্ৰদায়ে আজিও শঙ্কৰক ঈশ্বৰ কৃষ্ণৰ অৱতাৰ বুলি অন্তৰৰ সভক্তিৰে পূজিব ধৰিছে। আজি অসমীয়াই উচ্চ-কণ্ঠে গাইছে—

কৃষ্ণ সূৰ্য্য ভৈলা আসি কলিত উদিত।
জগতত নাম ধৰ্ম্ম কৰিলা বিদিত॥

ঈশ্বৰ পুৰুষ শঙ্কৰে শুদ্ধ সনাতন ভাগৱতী ধৰ্ম্ম প্ৰচাৰ কৰিলে। সংসাৰযাত্ৰীৰ আশ্ৰয়ৰ অৰ্ণৱ সেতু বান্ধিলে। এই ধৰ্ম্মৰ বিশেষত্ব এই যে ই অতি উদাৰ আৰু সাৰ্ব্বজনীন। সকলোৱে সকলো অৱস্থাতে থাকি এই ধৰ্ম্ম মানি চলিব পাৰে। জাতি-বৰ্ণনিৰ্ব্বিশেষে সকলো প্ৰাণীৰে এই ধৰ্ম্মত সমান অধিকাৰ আছে। অস্পৃশ্যতা বৰ্জ্জন, মাদকতা নিবাৰণ আৰু সাৰ্ব্বজনীন ভ্ৰাতৃভাৱ মহাপুৰুষীয়া ধৰ্ম্মৰ প্ৰধান অঙ্গ। সেই দেখিয়েই

শঙ্কৰে গাৰো, মিৰি, ভোট, যবনাদিৰ মাজতো ধৰ্ম্ম প্ৰচাৰ কৰিছিল; কানি ভাং মদখোৱা মহাপুৰুষীয়াক দণ্ড বিহিবলৈ যেধি মহন্তক পৰামৰ্শ দিছিল, আৰু সকলোকে "ভাই! মুখে বোলা ৰাম" বুলি মন্ত্ৰ দিছিল।

শঙ্কৰৰ প্ৰধান উদ্দেশ্য আৰু জীৱনব্যাপী সাধনা আছিল সমস্ত ভাৰতত এক উদাৰ ধৰ্ম্মৰ প্ৰবৰ্ত্তন আৰু প্ৰচাৰ, সেটেই ভাৰতত এটা সাৰ্ব্বজনীন ভাষাৰ প্ৰচলন, আৰু এই দুয়োটাৰে মিলন স্বৰূপে দেশজুৰি এটা মহান্ জাতি সংগঠন কৰাটো। শঙ্কৰে তেওঁৰ মহান উদ্দেশ্য সাধিবৰ ইচ্ছাৰে দুবাৰো দেশ ভ্ৰমণ কৰিছিল; ভাৰতৰ বহুতো ভাষাৰ সংমিশ্ৰণ কৰি সকলোৱে বুজিব পৰাকৈ গীতনাটাদি লিখিছিল, আৰু সকলো জাতিৰ নানান লোকক লগ লগাই এটা সুন্দৰ সমাজৰ সৃষ্টি কৰিছিল। শঙ্কৰে তেওঁৰ মহান্ উদ্দেশ্যৰ বহুল প্ৰচাৰ আৰু পৰি-পোষকতাৰ বাবে এটা চিৰকুমাৰ ভকত ব্ৰতী দল সংগ্ৰহ কৰিছিল; সিঁহতক তেওঁৰ উদ্দেশ্য ভালকৈ বুজাইদিছিল; ধৰ্ম্ম-কৰ্ম্ম শাস্ত্ৰাদিৰ বিষয়ে সুন্দৰ শিক্ষা দিছিল; নৰ-নাৰায়ণৰ সেৱাৰ প্ৰয়োজনীয়তা বুজাই সেই ভকত ব্ৰতী হৈ মানৱী জীৱন সাৰ্থক

কৰিবলৈ আদেশ দিছিল। সেই দলটোৱে শঙ্কৰৰ মতত দীক্ষিত হৈ একমাত্ৰ কৃষ্ণত শৰণ লৈছিল আৰু আন দেৱদেৱীক নামানি কেৱল কৃষ্ণ দেৱক ভজিছিল; সেই দেখিয়েই পিছত গৈ তেওঁলোক 'কেৱলীয়া' নামে জনাজাত হৈছিল। পিছে কালৰ কুটিলা গতি। কেৱলীয়াই অৱতাৰ পুৰুষৰ শিক্ষা-দীক্ষা পাহৰিলে—নিজৰ কৰ্ত্তব্য জ্ঞানো হেৰুৱালে। আজিৰ কেৱলীয়া সকলৰ শতকৰা নিৰান্নৈৰে জনেই পতিত—উদ্দেশ্যবিহীন। কিন্তু শঙ্কৰে তেওঁৰ মহান উদ্দেশ্যৰ বীজ অতি সাৰুৱা আৰু উচ্চ ক্ষেত্ৰত পঁচাই গৈছে; ই কোনো কালে নষ্ট পাবলগীয়া নহয়। এতিয়া অসমীয়াৰ প্ৰধান কৰ্ত্তব্য মহাপুৰুষে পচোঁৱা বীজক অঙ্কুৰিত কৰাই বৃহৎ গছ কৰি তুলি ফলে-ফুলে ডালে-পাতে জকমকীয়া কৰাটো।

"নিৰঞ্জন নিৰাকাৰ নিৰ্ব্বিকাৰ হৰি।
নিত্যানন্দ নিৰাময় হৈয়ো দাস কৰি॥"

পোৱাৰ ঠাই ঃ—

সি, আৰ, কলিতা এণ্ড কোং

তেজপুৰ, আসাম।

শ্ৰীযুত কণ্ঠিৰাম দাস, মাষ্টাৰ

পোঃ আঃ হাজো।

কামৰূপ, আসাম।

—০—